অসমীয়া

প্ৰশ্নকাকত—II

(সাহিত্য)

নির্ধাৰিত সময় : 3 ঘণ্টা

সর্বাধিক নম্বৰ : 250

প্ৰশ্নোত্তৰ বহী-সম্পৰ্কীয় বিশেষ নির্দেশনা

প্ৰশ্নোত্তৰ কৰাৰ আগতে তলৰ নির্দেশনাখিনি ভালদৰে পঢ়ি লোৱাঁ

প্ৰশ্নকাকতখনত দুটা শাখাত **আঠটা** প্ৰশ্ন দিয়া আছে।

ইয়াৰ ভিতৰত কেৱল **পাঁচটা** প্ৰশ্নৰ উত্তৰ কৰাঁ।

প্ৰশ্ন নং **1** আৰু **5** বাধ্যতামূলক। বাকী **তিনিটাৰ** প্ৰত্যেকটো শাখাৰ পৰা কমেও **এটাকৈ** বাচি লৈ উত্তৰ কৰাঁ।

প্ৰতিটো প্ৰশ্নৰ মূল্যাঙ্ক কাষত উল্লেখ কৰা হৈছে।

প্ৰশ্নৰ উত্তৰ **অসমীয়াত** কৰাঁ।

শব্দৰ সংখ্যা য'ত যি ধৰণে দিয়া হৈছে, সেই ধৰণে ৰক্ষা কৰাঁ।

প্ৰশ্নৰ উত্তৰসমূহ ক্ৰম অনুসৰি কৰাঁ। আধৰুৱাকৈ কৰা প্ৰশ্নৰ উত্তৰবোৰ মূল্যাঙ্কন কৰা হ'ব। প্ৰশ্ন-সংলগ্ন উত্তৰবহীৰ পৃষ্ঠাৰ কোনো অংশ বা সম্পূৰ্ণ পৃষ্ঠা নিলিখাকৈ এৰিলে তাক স্পষ্টকৈ চিহ্নিত কৰাঁ।

ASSAMESE

PAPER—II

(LITERATURE)

Time Allowed : Three Hours

Maximum Marks : 250

QUESTION PAPER SPECIFIC INSTRUCTIONS

Please read each of the following instructions carefully before attempting questions

There are EIGHT questions divided in two Sections.

Candidate has to attempt FIVE questions in all.

Question Nos. **1** and **5** are compulsory and out of the remaining, THREE are to be attempted choosing at least ONE from each Section.

The number of marks carried by a question/part is indicated against it.

Answers must be written in ASSAMESE (Assamese script).

Word limit in questions, wherever specified, should be adhered to.

Attempts of questions shall be counted in sequential order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.

Optional Province · optionalprovince.com

SECTION—A

1. তলত দিয়া প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* টা শব্দৰ ভিতৰত লিখাঁ : 10×5=50

(a) 'পাৰিজাত হৰণ' নাটখনৰ কাহিনীভাগৰ মূল উৎস কি? উৎস গ্ৰহণ কৰি ৰচনা কৰিলেও নাটখনত নাট্যকাৰ শংকৰদেৱে কেনেদৰে মৌলিক চিন্তা তথা সৃজনী-প্ৰতিভাৰ ৰহণ সানিছিল?

(b) 'অযোধ্যাকাণ্ড'ৰ আধাৰত মাধৱ কন্দলিৰ অনুবাদৰীতিৰ বিষয়ে আলোচনা কৰাঁ।

(c) 'গুৰু-চৰিত-কথা'ত মানৱ শংকৰদেৱৰ চৰিত্ৰত কেনেদৰে দৈৱত্ব আৰোপ কৰা হৈছে, উদাহৰণসহ আলোচনা কৰাঁ।

(d) মাধৱদেৱৰ লীলাপ্ৰধান ৰগীতসমূহত কৃষ্ণৰ চৰিত্ৰটো কেনেদৰে উপস্থাপন কৰা হৈছে?

(e) " 'কথা-ভাগৱত'ৰ শব্দসম্ভাৰত সংস্কৃতীয়া শব্দৰ প্ৰয়োগেই অধিক"—কথাষাৰৰ সত্যাসত্য নিৰূপণ কৰি এটি প্ৰৱন্ধ যুগুত কৰাঁ।

2. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) মাধৱদেৱৰ দ্বাৰা ৰচিত ৰগীতৰ আধাৰত ৰগীতৰ প্ৰধান বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰি এটা নিৱন্ধ যুগুত কৰাঁ। 20

(b) ৰাজসূয় যজ্ঞ কোনে, ক'ত আয়োজন কৰিছিল? এই যজ্ঞৰ নিমন্ত্ৰণ পাই দ্বাৰকাধিপতি কৃষ্ণই সগোত্ৰে-সবান্ধৱে কেনেদৰে যাত্ৰা কৰিছিল? 15

(c) কন্দলিৰ ৰামায়ণৰ 'অযোধ্যাকাণ্ড'ৰ আলমত সীতা আৰু লক্ষ্মণ সহিতে ৰাম বনবাসলৈ যোৱাৰ সময়খিনি বৰ্ণনা কৰাঁ। 15

3. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) অংকীয়া নাটৰ বৈশিষ্ট্যসমূহ 'পাৰিজাত হৰণ' নাটখনত কেনেদৰে প্ৰকাশ পাইছে, উপযুক্ত উদাহৰণসহ আলোচনা কৰাঁ। 20

(b) 'কীৰ্ত্তন-ঘোষা'ৰ 'ৰাসক্ৰীড়া' অধ্যায়ত শৃংগাৰ ৰস আৰু ভক্তিৰস কেনেদৰে সংপৃক্ত হৈ আৰু অৱশেষত ভক্তিৰসে কেনেদৰে আধিপত্য বিস্তাৰ কৰিছে, বিচাৰ কৰাঁ। 15

(c) মাধৱদেৱৰ 'ৰাজসূয় কাব্য'ৰ ভাষাৰ লালিত্যৰ বিষয়ে কাব্যখনৰ পৰা উদ্ধৃতি দাঙি ধৰি লিখাঁ। 15

4. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) 'কথা-ভাগৱত'ৰ প্ৰথম দুটা স্কন্ধৰ আধাৰত বৈকুণ্ঠনাথ ভট্টাচাৰ্যৰ গদ্যৰীতি বিষয়ে এটি আলচ যুগুত কৰাঁ। 20

(b) বৃন্দাবনৰ যমুনাতটত কৃষ্ণ আৰু গোপীসকলৰ মাজত 'ৰাসক্ৰীড়া' সংঘটিত হোৱা পূৰ্ণচন্দ্ৰৰ নিশাটো বৰ্ণনা কৰাঁ। 15

(c) মধ্যযুগীয় অসমীয়া সাহিত্যৰ অন্যতম সম্পদ চৰিত পুথিবোৰৰ কিছুমান আছিল ছন্দোবদ্ধ আৰু কিছুমান আছিল গদ্যত ৰচিত। গদ্যত ৰচিত 'গুৰু-চৰিত-কথা'ৰ আধাৰত চৰিত পুথিৰ গদ্যৰ সাধাৰণ বৈশিষ্ট্যসমূহ আলোচনা কৰাঁ। 15

Optional Province · optionalprovince.com

SECTION—B

5. তলত দিয়া প্ৰশ্নবোৰৰ প্ৰতিটোৰ উত্তৰ *150* টা শব্দৰ ভিতৰত লিখাঁ : 10×5=50

(a) লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ আত্মজীৱনী 'মোৰ জীৱন সোঁৱৰণ'ত নিজকে 'ভূমিষ্ঠ নহৈ নৌকাস্থ হোৱা' বুলি উল্লেখ কৰি নিজৰ জন্মৰ সময়চোৱা বৰ্ণনা কৰিছে। এই সময়চোৱাৰ কথাখিনি তোমাৰ নিজৰ ভাষাত বৰ্ণনা কৰাঁ।

(b) চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্যপুথি 'প্ৰতিমা'ৰ বিষয়ে বেজবৰুৱাই ''প্ৰতিমাখনি সৰু, কিন্তু নিভাঁজ সোণৰ'' বুলি কৰা মন্তব্যটোৰ তাৎপৰ্য বিচাৰ কৰাঁ।

(c) ৰজনীকান্ত বৰদলৈৰ 'মনোমতী' উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰটো বিশ্লেষণ কৰাঁ।

(d) লক্ষ্মীনাথ বেজবৰুৱাই কৃপাবৰ বৰুৱা ছদ্মনামেৰে লিখা ব্যংগাত্মক ৰচনাসমূহৰ বিষয়ে এটি পৰিচয়মূলক টোকা লিখাঁ।

(e) পদ্মনাথ গোহাঞিবৰুৱাৰ 'গাঁওবুঢ়া' নাটকখনৰ চৰিত্ৰসমূহৰ মুখত দিয়া সংলাপৰ বিষয়ে আলোচনা কৰাঁ।

6. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) 'সম্ৰাট' কবিতাটোত উল্লেখ থকা 'জৰদ্গৱ অন্ধ সম্ৰাট'জন কোন ? কবিতাটোত এই সম্ৰাটজনৰ মনস্তত্ত্ব কেনেকৈ প্ৰকাশ পাইছে ? 20

(b) 'কাৰেঙৰ লিগিৰী' নাটকখনৰ মূল পুৰুষ চৰিত্ৰকেইটা বিশ্লেষণ কৰাঁ। 15

(c) বাণীকান্ত কাকতিৰ 'পুৰণি অসমীয়া সাহিত্য'ৰ অন্তৰ্গত প্ৰৱন্ধৰাজিৰ অন্তৰ্গত বধকাব্য শীৰ্ষক প্ৰৱন্ধটোত কাকতিয়ে অসমীয়া সাহিত্যৰ অনুপম সম্পদ বধকাব্যসমূহৰ বিশ্লেষণ কেনেদৰে উপস্থাপন কৰিছে, বিৱৰি লিখাঁ। 15

7. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) ''কেঁচা বৰলক জোকাই ল'লে গা সাৰিবলৈ টান''—'মৃত্যুঞ্জয়' উপন্যাসৰ আৰম্ভণিৰ এই প্ৰথম বাক্যটো কোনে, কাক কৈছিল ? এই বাক্যটোৰ পটভূমিৰ ৰাজনৈতিক পৰিৱেশটো উপন্যাসখনত কেনেদৰে বৰ্ণিত হৈছে, আলোচনা কৰাঁ। 20

(b) 'জীৱনৰ বাটত' উপন্যাসত ঔপন্যাসিক বীণা বৰুৱাই প্ৰয়োগ কৰা ভাষাৰীতি সম্পৰ্কে এটি আলচ প্ৰস্তুত কৰাঁ। 15

(c) ''চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰতিমা' আৰু নৱকান্ত বৰুৱাৰ 'সম্ৰাট' কবিতাই ৰোমাণ্টিক আৰু আধুনিক কবিতাক প্ৰতিনিধিত্ব কৰে।'' কথাষাৰৰ যথাৰ্থতা প্ৰতিপন্ন কৰি এটি তুলনামূলক আলোচনা আগবঢ়োৱাঁ। 15

Optional Province · optionalprovince.com

8. তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) ''ৰজনীকান্ত বৰদলৈৰ 'মনোমতী' উপন্যাসৰ পটভূমি ঐতিহাসিক হ'লেও সামাজিক জীৱন প্ৰৱাহৰ চিত্ৰ তাত সুন্দৰকৈ চিত্ৰিত হোৱা দেখা যায়।'' কথাষাৰ বিশ্লেষণ কৰাঁ। 20

(b) 'মৃত্যুঞ্জয়' উপন্যাসৰ যি কোনো দুটা মুখ্য চৰিত্ৰ বিশ্লেষণ কৰি এটি নিৱন্ধ যুগুত কৰাঁ। 15

(c) বায়নৰ ল'ৰা ভোগমনে গাঁওবুঢ়াৰ পদবী পোৱাৰ পাছত ঘৰে-বাহিৰে যি দুৰ্দশাৰ সম্মুখীন হৈছিল সেয়া পদ্মনাথ গোহাঞিবৰুৱাই কেনেদৰে বৰ্ণনা কৰিছে সেয়া তোমাৰ ভাষাত লিখাঁ। 15

★★★

Optional Province · optionalprovince.com